# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 13-02-2025
**Time :** 1910 hrs

ASSAMESE EVENING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। সংসদৰ দুয়োখন সদনতে আজি বাক্‌ফ সংশোধনী বিধেয়ক ২০২৪ সন্দৰ্ভত যুটীয়া সমিতিয়ে প্ৰতিবেদন দাখিল কৰে।

২। লোকসভাত আজি আয়কৰ বিধেয়ক ২০২৫ উত্থাপন কৰা হয়।

৩। **ৰেডিঅ' আৰু জলবায়ু পৰিৱৰ্তন** এই মূল বিষয়বস্তুৰে আজি বিশ্ব অনাতাঁৰ দিৱস উদযাপন কৰা হৈছে।

***আৰু***

৪। উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত চলি থকা মহাকুম্ভ মেলা সন্দৰ্ভত জনসাধাৰণৰ মাজত উৰাবাতৰি আৰু ভুল তথ্য বিয়পোৱা কাৰ্যৰ বিৰুদ্ধে উত্তৰ প্ৰদেশ আৰক্ষীয়ে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০০০

বিৰোধী পক্ষৰ সদস্যসকলৰ প্ৰতিবাদৰ মাজতে সংসদৰ দুয়োখন সদনতে আজি বাক্‌ফ সংশোধনী বিধেয়ক ২০২৪ সন্দৰ্ভত যুটীয়া সমিতিয়ে প্ৰতিবেদন দাখিল কৰে। দিনৰ ২ বজালৈ লোকসভাৰ কাৰ্যক্ৰমণিকা স্থগিত ৰখাৰ অন্তত সদন যেতিয়া পুনৰ আৰম্ভ হয়, তেতিয়া যুটীয়া সমিতিৰ অধ্যক্ষ জগদম্বিকা পালে সদনত প্ৰতিবেদন দাখিল কৰে। লগে লগে বিৰোধীপক্ষৰ সদস্যসকলে কোলাহলৰ সৃষ্টি কৰে। ইয়াৰ মাজতে কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে কয়, যে লোকসভাৰ অধ্যক্ষ ওম বিৰলাই যদি বিৰোধী পক্ষৰ দাবী অনুসৰি মতভেদৰ টোকা সংযোজন কৰাৰ অনুমতি প্ৰদান কৰে তেন্তে এইক্ষেত্ৰত বিজেপিৰ কোনো আপত্তি নাই। কংগ্ৰেছ, ডি এম কে, সমাজবাদী পাৰ্টী, টি এম চি আৰু আন সদস্যসকলে এই প্ৰতিবেদনৰ বিৰুদ্ধে প্ৰতিবাদ কৰি সদনৰ পৰা ওলাই যায়।

ইয়াৰ পূৰ্বে ৱাক্‌ফ সংশোধনী বিধেয়ক ২০২৪ সন্দৰ্ভত যুটীয়া সমিতিৰ প্ৰতিবেদনক লৈ বিৰোধীপক্ষৰ সদস্যসকলে হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰাৰ ফলত লোকসভা দিনৰ ২ বজালৈ স্থগিত ৰখা হয়। পুৱাৰ ভাগত সদন মিলিত হোৱাৰ সময়ত কংগ্ৰেছ, ডি এম কে আৰু সমাজবাদী পাৰ্টীকৈ ধৰি বিৰোধী পক্ষৰ আন সদস্যসকলে বিষয়টো লৈ হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰে। অধ্যক্ষ ওম বিৰলাই বিৰোধী পক্ষৰ সদস্যসকলক সদনৰ কামকাজ নিয়াৰিকৈ চলাই নিয়াত সহযোগ কৰিবলৈ আহ্বান জনায়। তেওঁ কয়, যে যুটীয়া সমিতিৰ প্ৰতিবেদন দাখিল কৰাৰ পাছত সকলো সদস্যকে তেওঁলোকৰ বক্তব্য ৰখাৰ বাবে অনুমতি দিয়া হ'ব। শ্ৰীবিৰলাই কয় যে সদনৰ প্ৰশ্নকাল অতি গুৰুত্বপূৰ্ণ আৰু হুলস্থূলীয়া পৰিস্থিতিৰে এই সময়ছোৱাত সদনৰ কাম-কাজত ব্যাঘাত জন্মোৱা অনুচিত। ইয়াৰ

পাছতো একে পৰিস্থিতি বাহাল থকাৰ পৰিপ্ৰেক্ষিতত অধ্যক্ষ সদনৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ঘোষণা কৰে।

ৰাজ্যসভাত আজি হুলস্থূলীয়া পৰিস্থিতিৰ মাজতে ৱাক্‌ফ সংশোধনী বিধেয়ক সন্দৰ্ভত যুটীয়া সমিতিৰ তথ্য দাখিল কৰা হয়। পুৱাৰ ভাগত সদন মিলিত হোৱাৰ সময়ত বিজেপিৰ সাংসদ ড০ মেধা বিশ্ৰম কুলকৰ্ণীয়ে উচ্চ সদনত যুটীয়া সমিতিৰ প্ৰতিবেদনৰ প্ৰতিলিপি দাখিল কৰে। ইয়াৰ পাছতেই বিৰোধী পক্ষৰ সদস্যসকলে শ্লোগান দিবলৈ আৰম্ভ কৰাত সভাপতি জগদীপ ধনখড়ে তেওঁলোকক সদনৰ কাম-কাজ চলাই নিয়াত সহযোগ কৰিবলৈ আহ্বান জনায় যদিও সকলো অথলে যায়। পাছত তেওঁ উচ্চ সদনৰ কাম-কাজ ১১ বাজি ২০ মিনিটলৈ স্থগিত ৰাখে।

ইয়াৰ পাছত সদন পুনৰ মিলিত হোৱাৰ সময়ত বিৰোধী পক্ষৰ নেতা মল্লিকাৰ্জুন খাৰ্গেই যুটীয়া সমিতিৰ বৈঠকত বিৰোধী সদস্যসকলে আগবঢ়োৱা মতামতক এই প্ৰতিবেদনত অন্তৰ্ভুক্ত কৰা নহ’ল বুলি অভিযোগ কৰে। তেওঁ এই বিষয়টোক গণতন্ত্ৰ বিৰোধী বুলি উল্লেখ কৰি কয় যে এই প্ৰতিবেদনত যদিহে কোনো ধৰণৰ মাৰ্জিত দৃষ্টিভংগী নাই তেনেহ’লে ইয়াক পুনৰ সমিতিৰ পৰ্যালোচনাৰ বাবে ওভতাই পঠোৱা উচিত। কংগ্ৰেছৰ সাংসদ নাছিৰ হুছেইনেও একেই অভিযোগ কৰে। এই বিষয়টোৰ প্ৰতি সঁহাৰি জনাই সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয় যে প্ৰতিবেদনত থকা কোনো এটা অংশই আঁতৰাই দিয়া নহয়। তেওঁ বিৰোধী পক্ষই সদনত বিষয়টো লৈ ভুল পথে পৰিচালিত কৰিছে বুলি অভিযোগ কৰি কয় যে সংসদীয় সমিতিয়ে নিয়ম অনুসৰি সমগ্ৰ বিষয়টো পৰিচালনা কৰিছে।

বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনেও একে ধৰণৰ মন্তব্য কৰি বিৰোধী পক্ষক ইয়াৰ বাবে সমালোচনা কৰে। উচ্চ সদনৰ নেতা জে পি নাড্ডাই বিৰোধী পক্ষৰ সদস্যসকলে ৰাজ্যসভাৰ সভাপতিয়ে বাৰে বাৰে সদনৰ কাম-কাজ চলাই নিয়াত সহযোগ কৰিবলৈ আহ্বান জনোৱাৰ পাছতো হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰাৰ বাবে অসন্তুষ্টি প্ৰকাশ কৰে। তেওঁ বিৰোধী পক্ষক তেওঁলোকৰ দায়িত্বহীনতাৰ বাবে কঠোৰ ভাষাৰে সমালোচনা কৰে। শাসকীয় পক্ষৰ প্ৰত্যুত্তৰত অসন্তুষ্টি ব্যক্ত কৰি বিৰোধী পক্ষৰ সদস্যসকলে নিজৰ স্থান পৰিত্যাগ কৰে। পাছত শ্ৰীনাড্ডাই এই বিষয়টোক লৈ বিৰোধী পক্ষৰ দৃষ্টিভংগী সন্দৰ্ভত প্ৰশ্ন কৰে।

০০০০০০০

লোকসভাত আজি আয়কৰ বিধেয়ক ২০২৫ উত্থাপন কৰা হয়। এই বিধেয়কখনৰ উদ্দেশ্য হ’ল আয়কৰ সম্পৰ্কীয় আইন একত্ৰিত আৰু সংশোধন কৰা। বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে নিম্ন সদনত বিধেয়কখন উত্থাপন কৰে। বিধেয়ক সন্দৰ্ভত ভাষণ দি তেওঁ কয়, যে বৰ্তমানৰ আয়কৰ আইনখনৰ তুলনাত নতুন আইনখনৰ ধাৰা আৰু অধ্যায় কম আৰু সাধাৰণ ৰাইজে সহজে বুজিব পৰাকৈ সৰল কৰা হৈছে। শ্ৰীমতী সীতাৰমণে বিধেয়কখন পৰীক্ষাৰ বাবে সংসদৰ নিৰ্বাচিত সমিতিলৈ পঠোৱা উচিত বুলি প্ৰস্তাৱ আগবঢ়ায়। বিধেয়কখন সন্দৰ্ভত বিৰোধী দলৰ একাংশ সাংসদে উত্থাপন কৰা আপত্তি মন্ত্ৰীগৰাকীয়ে নাকচ কৰে। তেওঁ স্পষ্ট কৰি দিয়ে যে প্ৰস্তাৱিত বিধেয়কখনত ধাৰাৰ সংখ্যা ৫৩৬টা কিন্তু আয়কৰ আইন ১৯৬১ত ৮১৯ টা ধাৰা আছিল। তেওঁ লগতে কয়, যে প্ৰস্তাৱিত আইনখনত শব্দৰ সংখ্যা বৰ্তমানৰ আইনখনৰ তুলনাত প্ৰায় আধা।

০০০০০০০

এডভাণ্টেজ আছাম বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনৰ সৈতে সংগতিৰ ৰাখি অসম চৰকাৰে অহা ১৭ ফেব্ৰুৱাৰীৰ দিনৰ চাৰে ১১ বজাত মহাকাশ আৰু ভূস্থানীয় প্ৰযুক্তিৰ বিষয়ত এখন অনলাইন কুইজ প্ৰতিযোগিতাৰ

আয়োজন কৰিছে। এই প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ উদ্ভাৱক, গৱেষক, ছাত্ৰ-ছাত্ৰী আৰু উদ্যোগীসকলক আহ্বান জনোৱা হৈছে। ইয়াৰ বাবে ইতিমধ্যে যোৱা ১০ ফেব্ৰুৱাৰীত অনলাইন পঞ্জীয়ন আৰম্ভ হৈছে আৰু ১৬ ফেব্ৰুৱাৰী পঞ্জীয়নৰ অন্তিম দিন। আগ্ৰহীসকলে এই অনলাইন কুইজ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ www.advantageassam.assam.gov.in ৱেবছাইটত গৈ পঞ্জীয়ন কৰিব পাৰিব। এই প্ৰতিযোগিতাত বিজয়ী প্ৰথম তিনিগৰাকী প্ৰতিযোগীক নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব। তদুপৰি নিৰ্বাচিত ১০০গৰাকী প্ৰতিযোগীয়ে এডভাণ্টেজ আছামৰ ভূ-স্থানিক সত্ৰত অংশগ্ৰহণৰ বাবে অহা-যোৱা আৰু থকাৰ সুবিধা লাভ কৰিব।

0000000

**ৰেডিঅ' আৰু জলবায়ু পৰিৱৰ্তন** এই মূল বিষয়বস্তুৰে আজি বিশ্ব অনাতাঁৰ দিৱস উদযাপন কৰা হৈছে। ইউনেস্কোৰ উদ্যোগত ২০১২ চনৰ পৰা পালন কৰি অহা এই দিৱসত অনাতাঁৰ মাধ্যমৰ কাম-কাজ আৰু জনসাধাৰণৰ মাজত ইয়াৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰাৰ লগতে বিভিন্ন বিষয়ত সচেতনতা সৃষ্টিৰ প্ৰয়াস কৰা হৈ আহিছে। আজি এই দিৱস উপলক্ষে বিশ্বৰ বিভিন্ন অনাতাঁৰ কেন্দ্ৰত ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰা হয়। আকাশবাণীৰ সঞ্চালক প্ৰধান ড° প্ৰজ্ঞা পালিৱাল গৌড়ে এই উপলক্ষে দিয়া এটা বাৰ্তাত আকাশবাণীক অধিক দায়বদ্ধ আৰু সমাজ সচেতন কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি বিশ্ব অনাতাঁৰ দিৱস উপলক্ষে চানমাৰীৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ প্ৰেক্ষাগৃহত ৰেডিঅ' আৰু জলবায়ু পৰিৱৰ্তন শীৰ্ষক এটা বক্তৃতাৰ আয়োজন কৰিছে। বিশিষ্ট বিজ্ঞানী তথা শিক্ষাবিদ ড° অৱনী কুমাৰ ভাগৱতীয়ে এই বক্তৃতা আগবঢ়ায়। এই বক্তৃতাৰ পাছতেই কেন্দ্ৰটোৰ ঘোষক-ঘোষিকাসকলে **আকাশী লহৰ** নামৰ গীত-মাত আৰু আবৃত্তিৰ আন এটা অনুষ্ঠান পৰিৱেশন কৰে। গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰই বিশ্ব অনাতাঁৰ দিৱস উপলক্ষে আজি নিশা ৯ বজাত এটা বিশেষ আলোচনা অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত ভাগ ল'ব দূৰদৰ্শনৰ অভিযান্ত্ৰিক শাখাৰ উপসঞ্চালক প্ৰধান ৰবীন চন্দ্ৰ বড়ো আৰু আকাশবাণী গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত সহকাৰী সঞ্চালক নয়ন প্ৰসাদে। অনুষ্ঠানটোৰ আঁত ধৰিব উজ্বল বৰাই।

0000000

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত চলি থকা মহাকুম্ভ মেলা সন্দৰ্ভত জনসাধাৰণৰ মাজত উৰাবাতৰি আৰু ভুল তথ্য বিয়পোৱা কাৰ্যৰ বিৰুদ্ধে উত্তৰ প্ৰদেশ আৰক্ষীয়ে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে সামাজিক মাধ্যমৰ জৰিয়তে এনে অপপ্ৰচাৰ চলোৱা লোকসকলক চিনাক্ত কৰি তেওঁলোকৰ বিৰুদ্ধে বিহিত ব্যৱস্থা লোৱাৰ বাবে আৰক্ষী বিভাগক নিৰ্দেশ দিছে।

0000000

ছিক্কিমৰ উত্তৰ আৰু পূব-অংশত হোৱা তুষাৰপাতৰ ফলত বন্ধ হৈ পৰা প্ৰধান পথসমূহ মুকলি কৰাৰ বাবে সীমান্ত পথ সংস্থা B.R.O এ ব্যৱস্থা গ্ৰহণ কৰিছে। লাছুং আৰু লাছেনৰ অক্ষৰ কৌশলগত পথৰ লগতে নাথুলা আৰু টামজেৰ ঘাইপথছোৱা বেয়াকৈ ক্ষতিগ্ৰস্ত হোৱাৰ বাবে আৰ্থসামাজিক কামকাজ বিঘ্নিত হৈ পৰিছে।

স্বস্তিক প্ৰকল্পৰ অধীনত 758 বি আৰ টি এফ দলে অত্যাৱশ্যকীয় সামগ্ৰীৰ যোগান আৰু সামৰিক বাহিনীৰ বাহনসমূহৰ সুগম যাতায়াতৰ বাবে পথ মুকলি কৰিবলৈ গধুৰ যন্ত্ৰপাতি আৰু মানৱ শক্তিৰ ব্যৱহাৰ কৰিছে। প্ৰবল শীত, বতাহ আৰু তুষাৰপাতৰ মাজতো B.R.O ৰ লোকসকলে তেওঁলোকৰ অভিযান সম্পূৰ্ণ কৰাৰ বাবে যথেষ্ট

কষ্টৰে কাম কৰি আছে। B.R.O ৰ লোকসকলৰ এই প্ৰচেষ্টাই নিৰাপত্তা বাহিনীক সহায় কৰাৰ লগতে এই পথসমূহেৰে যাতায়াত কৰা স্থানীয় লোকসকলকো সকাহ দিছে। প্ৰতিকূল বতৰৰ সময়ত B.R.Oৰ লোকসকলে ছিক্কিমৰ উচ্চ অঞ্চলত যোগাযোগ আৰু আন্তঃগাঁথনিৰ ক্ষেত্ৰত সুৰক্ষা দিয়াৰ লগতে দেশৰ নিৰাপত্তা আৰু জনসেৱাৰ প্ৰতি তেওঁলোকে দায়বদ্ধ ভূমিকা গ্ৰহণ কৰে।

০০০০০০০

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে ভাৰতে ইউ পি আই, আধাৰ আৰু ডি জি লকাৰৰ দৰে ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি ব্যৱস্থাৰ জৰিয়তে প্ৰযুক্তিৰ গণতান্ত্ৰিকৰণৰ ক্ষেত্ৰত অগ্ৰণীৰূপত আত্মপ্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী বৈষ্ণৱে কয়, যে এই ক্ষেত্ৰত ভাৰতৰ সফল আৰ্হিয়ে আন্তঃৰাষ্ট্ৰীয় দৃষ্টি আকৰ্ষণ কৰিছে। তেওঁ কয়, যে পেৰিছত অনুষ্ঠিত কৃত্ৰিম বুদ্ধিমত্তা শীৰ্ষ সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৃত্ৰিম বদ্ধিমত্তাৰ ক্ষেত্ৰত ভাৰতৰ সৰ্বাংগীন দৃষ্টিভংগী স্পষ্ট কৰে।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে অনাগত দিনত কেইবাখনো ৰাষ্ট্ৰীয় পেন্সন আঁচনি ৰূপায়ণ কৰাৰ পৰিকল্পনা কৰিছে। ৰাজ্যসভাত আজি এটা প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰী ড০ মনসুখ মাণ্ডাভিয়াই কয় যে জনসাধাৰণৰ বাবে বিশেষকৈ অসংগঠিত খণ্ডৰ লোকসকলৰ বাবে চৰকাৰে অটল পেন্সন যোজনা, পি এম শ্ৰমিক মন্থন, পি এম শ্ৰমযোগী মন্থন আদিকে ধৰি ভালেমান পেন্সন আঁচনি ৰূপায়ণ কৰিছে। এই আঁচনিসমূহৰ জৰিয়তে প্ৰায় ৬ কোটি লোক উপকৃত হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে কয় যে এই সকলো আঁচনিৰ অধীনত ৬০ বছৰ বয়স হোৱাৰ পাছত প্ৰতিগৰাকী হিতাধিকাৰীক প্ৰতি মাহে ৩ হাজাৰৰ পৰা ৫ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব।

০০০০০০০

সমাপ্ত